# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 18-04-2024

**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

---

প্ৰথম পৰ্যায়ত কাইলৈ ৰাজ্যৰ ৫ টা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এই পৰ্যায়ত ৰাজ্যখনৰ ডিব্ৰুগড়, যোৰহাট, লখিমপুৰ, শোণিতপুৰ আৰু কাজিৰঙা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। সমষ্টিকেইটাৰ অন্তৰ্গত জিলাসমূহৰ প্ৰশাসন তথা নিৰ্বাচন বিভাগসমূহে ভোটগ্ৰহণ প্ৰক্ৰিয়া স্বচ্ছ, শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ লগতে স্পৰ্শকাতৰ হিচাপে চিহ্নিত ভোটকেন্দ্ৰসমূহত সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। তদুপৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদানৰ সময়ত ভোটদাতাসকলৰ সুবিধা হোৱাকৈ ব্যৱস্থাসমূহ ৰখাৰ দিহা কৰা হৈছে। বিশেষকৈ দিব্যাংগ ভোটদাতাৰ বাবে ৰেম্প, প্ৰসূতি মাতৃসকলৰ বাবে শিশুক দুগ্ধপান কক্ষৰ ব্যৱস্থা, খোৱাপানী, শৌচাগাৰ, বিদ্যুৎ যোগানকে ধৰি সকলো ব্যৱস্থা লোৱা হৈছে। প্ৰতিটো ভোটকেন্দ্ৰৰ বাবে নিয়োজিত বিষয়া-কৰ্মীসকল নিজ নিজ কেন্দ্ৰত ই ভি এম সহ উপস্থিত হৈছে। গোলাঘাট জিলাত এহেজাৰ ৫৯ টা ভোটকেন্দ্ৰ আছে আৰু ইয়াত দুহেজাৰৰো অধিক নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। যোৰহাট সমষ্টিত ১৭ লাখ ১৮ হাজাৰৰো অধিক ভোটদাতা আছে। ইয়াৰে ২৯ হাজাৰ ৪৬২ জন নতুন ভোটদাতা। শোণিতপুৰ লোকসভা সমষ্টিত কাইলৈ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে নিৰ্বাচন বিভাগে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আজি সমষ্টিটোৰ সাধাৰণ পৰ্যবেক্ষক এম আৰ কুমাৰে দৰং মহাবিদ্যালয়ত নিৰ্বাচনৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ বিতৰণ আৰু সামগ্ৰিক প্ৰস্তুতিৰ বুজ লয়। ডিব্ৰুগড় আৰু লখিমপুৰ লোকসভা সমষ্টিৰ অন্তৰ্গত তিনিচুকীয়া জিলাৰ এহেজাৰ ১১০টা কেন্দ্ৰত কাইলৈ ভোটগ্ৰহণৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। জিলাখনৰ আয়ুক্ত স্বপ্নীল পালে সকলোকে স্বতন্ত্ৰভাৱে আৰু শুদ্ধ বিবেচনাৰে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। জিলাখনত এই নিৰ্বাচনত ৯ লাখ ৮৫ হাজাৰৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব। একেদৰে চৰাইদেউ জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা আজি ৩৪৪ টা ভোটকেন্দ্ৰত ই ভি এম সহ বিষয়াসকল উপস্থিত হৈছে। জিলাখনত ৪টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা আৰু এটা বিশেষভাৱে সক্ষম বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব।

অসম আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে জটিল ভোটকেন্দ্ৰসমূহত অৰ্ধ-সামৰিক বাহিনীৰ জোৱানক সুৰক্ষাৰ দায়িত্ব অৰ্পণ কৰা হৈছে আৰু ৫ হাজাৰ ৫০০ৰো অধিক ভোটকেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈ ছে। লগতে এই কেন্দ্ৰসমূহত মাইক্ৰ' অবজাৰ্ভাৰ নিয়োগ কৰা হৈছে। প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ১৪ খন জিলাত নিৰাপত্তা বাহিনীৰ ১০৬ টা কোম্পানী ইতিমধ্যে নিয়োগ কৰা হৈছে।

ইপিনে, নিৰ্বাচনৰ সময়ছোৱাত সীমান্ত অঞ্চলত সুৰক্ষাৰ দিশটোত বিশেষ গুৰুত্ব আৰোপ কৰি ৰাজ্যখনৰ আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহ ছীল কৰি দিয়া হৈছে। এই সময়ছোৱাত অঞ্চলসমূহত জনসাধাৰণৰ

আহ-যাহ নিষিদ্ধ কৰাৰ লগতে যিকোনো কূটাঘাতমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰাৰ বাবে চোকা দৃষ্টি ৰখা হৈছে।

উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত দেশৰ ১৭খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২ টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

ooooo

ৰাজ্যখনত প্ৰথম পৰ্যায়ত ৫টা সমষ্টিত হ'বলগীয়া নিৰ্বাচনত ৮৬ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ভোটদাতাসকলৰ ভিতৰত মহিলা ভোটদাতাৰ সংখ্যা অধিক। এই সমষ্টিকেইটাৰ ভিতৰত নৱগঠিত কাজিৰঙা সমষ্টিত সৰ্বাধিক ২০ লাখৰো অধিক ভোটদাতা আছে। আনহাতে, লখিমপুৰত সমষ্টিকেইটাৰ ভিতৰত আটাইতকৈ কম প্ৰায় ১৫ লাখ ভোটদাতা আছে। উল্লেখযোগ্য যে সংশোধিত চূড়ান্ত ভোটদাতাৰ তালিকা অনুসৰি ৰাজ্যখনত প্ৰায় ২ কোটি ৪৩ লাখ ভোটদাতা আছে। ইয়াৰ ভিতৰত ১ কোটি ২১ লাখ ৭৯ হাজাৰৰো অধিক পুৰুষ আৰু প্ৰায় ১ কোটি ২১ লাখ মহিলা ভোটদাতা। প্ৰথমবাৰৰ বাবে ভোটদাতাৰ তালিকাত অন্তৰ্ভুক্ত ৭ লাখ ২৬ হাজাৰ ৭৮৩ গৰাকী ভোটদাতা আছে। আনহাতে, ৰাজ্যখনত ৮০ বছৰৰ ঊৰ্ধৰ ভোটদাতাৰ সংখ্যা ২ লাখ ৭২ হাজাৰৰো অধিক। ৰাজ্যখনৰ অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সংসদীয় সমষ্টিত সৰ্বনিম্ন ৮ লাখ ৯২ হাজাৰ ৭৮৯ জন আৰু ধুবুৰী সমষ্টিত সৰ্বাধিক ২৬ লাখ ৪৩ হাজাৰৰো অধিক ভোটদাতা আছে। ইপিনে, ৰাজ্যখনত তিনিটা পৰ্যায়ত মুঠ ২৬৬ টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। আনহাতে, দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালিত ৩৬ টা আৰু মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত এহেজাৰ ৫৫১ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে অসমত নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আয়োজন কৰা শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ বিজয়ীসকলক আজি বঁটা প্ৰদান কৰা হয়। আকাশবাণী গুৱাহাটী কেন্দ্ৰত আয়োজিত অনুষ্ঠানত পি আই বি, গুৱাহাটী কাৰ্যালয়ৰ অতিৰিক্ত সঞ্চালকপ্ৰধান জেন নেমচু আৰু আকাশবাণী গুৱাহাটীৰ মুৰব্বী ৱালিউল্লা খানে প্ৰতিযোগীসকলক পুৰস্কাৰসমূহ বিতৰণ কৰে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত কটন বিশ্ববিদ্যালয়ৰ স্নাতক চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ হৃষীকেশ বড়োৱে প্ৰথম, গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী সুকন্যা শৰ্মাই দ্বিতীয় আৰু কটন বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ স্নাতক দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰী প্ৰাচুৰ্য্যা প্ৰেম গাৰ্গে তৃতীয় পুৰস্কাৰ লাভ কৰে। পুৰস্কাৰ বিজয়ীসকলক একোটাকৈ ৰেডিঅ', মানপত্ৰ আৰু উপহাৰৰ টোপোলা প্ৰদান কৰা হয়।

উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া ভোটদাতাসকলক সজাগ কৰাৰ বাবে আয়োজিত এই প্ৰতিযোগিতা যুৱ ভোটদাতাসকলৰ বাবে মুকলি আছিল। ৰাজ্যৰ কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল।

ooooo

সমাপ্ত